

# এনাজৰী

## ৰঙালী বিহু উৎসৱ

নেহৰুবালি, নগাঁও

২০ আৰু ২১ এপ্ৰিল, ২০১৮

বৃহত্তৰ অসমীয়া জাতিৰ
সাংস্কৃতিক সমাৰোহ

সম্পাদনা
শৈলেন শইকীয়া

Reference P.M-112





# এনাজৰী

## স্মাৰক গ্ৰন্থ

ৰঙালী বিহু উৎসৱ

৬ আৰু ৭ ব'হাগ ১৯৪০ শকাব্দ

(২০ আৰু ২১ এপ্ৰিল, ২০১৮)

এনাজৰী

সামাজিক-সাংস্কৃতিক অনুষ্ঠান

নগাঁও, অসম

সম্পাদক

শৈলেন শইকীয়া

# সূচীপত্ৰ


সম্পাদকীয় ▸ ৫
মনৰ কথাৰে... ▸ গুণ মহন্ত ১০
এনাজৰী জন্মৰ কিছু কথা ▸ প্ৰবীণ চন্দ্ৰ দাস ১৪
কৈনো থাকোঁ মানে ওৰকে নপৰে ▸ বিষ্ণুপ্ৰসাদ ৰাভা ১৯
জাতীয় উৎসৱ বিহু ▸ হেমাংগ বিশ্বাস ২৬
বিহুৱে চহকী কৰি ৰাখিছে অসমীয়া বৃহৎ জাতিসত্তাক ▸ ড° নন্দ সিং বৰকলা ৩৫
বড়োসকলৰ বিহু (বৈশাগু) আৰু
আন জনগোষ্ঠীৰ সাদৃশ্যৰ আভাস ▸ তৰেন বড়ো ৪৪
বিহুৰ অতীত ঃ তাই আহোমসকলেই বিহুৰ উদ্ভাৱক ▸ দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ ৪৭
তিৱাসকলৰ বিহু ▸ মিলেশ্বৰ পাতৰ ৫৩
ৰঙালী বিহুৰ শিপা-সন্ধান ▸ ড° মাধুৰ্য্যমণ্ডিত বৰুৱা ৬১
ডিমাচা সংস্কৃতিত এভূমুকি ▸ মোলান লস্কৰ ৬৫
ভৈয়াম কাৰবিৰ ব'হাগ বিহু ঃ দ'মাহী পে ▸ অজিত ভৰালী ৬৮
মিচিং গাঁৱত বিহু ▸ সদানন্দ পায়েং ৮২
অবিভক্ত গোৱালপাৰা জিলাৰ পৰম্পৰাগত বসন্ত উৎসৱ ঃ
এটি সাংস্কৃতিক অৱলোকন ▸ লক্ষীমা হাজৰিকা ৮৫
বিহু আৰু নামনি অসমৰ মুছলমান ▸ ডাঃ ৰেজাউল কৰিম ৯৪
দেউৰীসকলৰ বিহু বা 'বিচু' ▸ ৰুণজুন চেতিয়া দাস ৯৯
জনগোষ্ঠীয় খাদ্যৰ জুতি ▸ ড° শৰৎ বৰকটকী ১০২
মেচ জনগোষ্ঠীৰ উৎসৱ পাৰ্বণ আৰু বিহু ▸ ড° নমিতা কলিতা ১১২
বিহুনামত অসমৰ প্ৰাকৃতিক সৌন্দৰ্য ▸ জয়কান্ত গন্ধীয়া ১১৮

# মেচ জনগোষ্ঠীৰ উৎসৱ পাৰ্বণ আৰু বিহু

ড° নমিতা কলিতা

মেচ কছাৰী সমাজৰ প্ৰধান উৎসৱ হ'ল বিহু। মেচ কছাৰী সমাজে অসমৰ আন জনগোষ্ঠীৰ দৰে ঘাইকৈ তিনিটা বিহু উদ্‌যাপন কৰে। যেনে— কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু। আদিবাসী কিৰাতসকলেও কৃষিকাৰ্যৰ লগত সম্বন্ধ ৰাখি উৎসৱ পালন কৰি আহিছে।

বিহুৰ লগত কৃষিকাৰ্য জড়িত হৈ থাকে। মেচ কছাৰীসকলৰ প্ৰধান জীৱিকা হ'ল কৃষি। সাধাৰণতে মা-ভাগৱতীৰ পূজাৰ পিছৰপৰাই পথাৰত হাল নমায়। কঠিয়া সিঁচা হয় জেঠ আহাৰ মাহত ন কঠীয়া পৰা হয়। ন কঠীয়া পৰাৰ দিনা হাউৰী মতা হয়। অৰ্থাৎ গাঁৱৰ সকলোকে কঠীয়া পৰাৰ খবৰটো দিয়া হয়। সেই অনুসৰি পুৱা গাঁৱৰ ৰাইজ আহে আৰু কঠীয়া পাৰিবলগীয়া মাটিডৰা চহাই মৈ দি প্ৰস্তুত কৰে। গৃহস্থই মিতুক পূজা কৰি ৰাইজক জৌ-ভাজি খাবলৈ দিয়ে। পাছত চহ কৰা মাটিডৰাৰ এচুকত পূবমুৱাকৈ তামোল-পাণ আগবঢ়ায়, চাকি-বাতি জ্বলাই ফল জাতীয় পুলি ৰুই কঠিয়া সিঁচি দিয়ে। সেইদিনাই মৰাপাটৰ গুটি সিঁচে।

তাৰ পাছতে কঠিয়া ৰোৱা কাৰ্যলৈ আগবাঢ়ে। শাওণ, ভাদ মাহত কঠীয়া ৰোৱা কাৰ্য কৰা হয়। এই কাৰ্য কৰাৰ আগতে সাধাৰণতে পথাৰত এটি পূজা কৰি আৰম্ভ কৰে। ইয়াক গছা লোৱা বোলে। ঘৰৰ গৃহিণীয়ে ইয়াত আগভাগ লয়। ধান দাই মাৰি শেষ কৰাৰ পিছত আঘোণ মাহত ঘৰৰ পৰিয়াল, বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াক নিমন্ত্ৰণ কৰি ন-খোৱা বা ন-চাউল খোৱাৰ প্ৰথাও আছে। সেইদিনা ন-ভাতৰ লগতে মাছ, মাংস আৰু নানান ৰকমৰ শাক-পাচলিৰ তৰকাৰী বনোৱা হয়। ভোজ ৰান্ধি জৌ (মদ) আদিৰে সকলোকে উপভোগ কৰিবলৈ দিয়ে। ইয়াৰ উপৰি মৃতক, ইষ্ট দেৱতা, খেতিৰ সঁজুলিকো নতুন চাউলেৰে ভাত বঢ়াই আগবঢ়ায়। গৰুকো ধান খাবলৈ দিয়া